## যোগীঘোপাৰ চলন্তাপাৰাত এম এছ ডি পিৰ আঁচনি ৰূপায়ণত অনিয়ম

# দুবছৰে আধৰুৱা ১.৮৮ কোটিৰ আঁচনি

### ঠিকাদাৰৰ অৱহেলাৰ বাবে জহি-খহি যাবলৈ ধৰিছে আঁচনিৰ তিনিটা বৃহৎ অট্টালিকা



প্ৰতিদিন সেৱা, যোগীঘোপা, ৩ ফেব্ৰুৱাৰী : বঙাইগাঁও জিলাৰ বইটামাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত চলন্তাপাৰাত কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে এম এছ ডি পিৰ অধীনত ৰূপায়ন কৰিবলৈ লোৱা কোটিটকীয়া আঁচনি বিগত দুবছৰে আধৰুৱা হৈ থকাত বাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘু মন্ত্ৰালয়ে এম এছ ডি পিৰ জৰিয়তে বিগত ২০১৫-১৬ বিত্তীয় বৰ্ষত চলন্তাপাৰাৰ দুখন শিক্ষানুষ্ঠানত তিনিটা বৃহৎ দুমহলীয়া অট্টালিকা নিৰ্মাণৰ বাবে মুঠ ১ কোটি ৮৮ লাখ টকা মঞ্জুৰি দিছিল। ইয়াৰে চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী নিবাসৰ বাবে ৮৮ লাখ টকা আৰু চলন্তাপাৰা মহাত্মা গান্ধী মহাবিদ্যালয়ৰ এটা ছাত্ৰাবাস আৰু এটা ছাত্ৰী নিবাস নিৰ্মাণৰ বাবে মুঠ ১ কোটি টকা মঞ্জুৰি দিয়া হৈছিল। চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী নিবাসৰ ঠিকা লাভ কৰিছিল গোৱালপাৰাৰ যতীন দাসে আৰু মহাত্মা গান্ধী মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ ঠিকা লাভ কৰিছিল অভয়াপুৰীৰ বিপুল দাসে। সেইমতে ২০১৬ৰ নৱেম্বৰ মাহত আঁচনিৰ কাম আৰম্ভ কৰা হৈছিল। অভিযোগমতে দুয়োগৰাকী ঠিকাদাৰে বিভাগীয় অভিযন্তাৰে মিলি আৰম্ভণিৰে পৰা আঁচনি ৰূপায়ণত ব্যাপক অনিয়মৰ আশ্ৰয় লয়। আঁচনিৰ প্ৰাক্কলন তথা বিভাগীয় নীতি-নিৰ্দেশনা উলংঘা কৰি সংশ্লিষ্ট ঠিকাদাৰ দুজনে আঁচনিৰ আধা অংশ কাম সম্পূৰ্ণ কৰে যদিও কেন্দ্ৰীয় চৰকাৰে আঁচনিৰ ধন মোকলাই নিদিয়াৰ অজুহাত দেখুৱাই আঁচনিৰ বাকীখিনি কাম আজিও সম্পূৰ্ণ কৰা নাই। এনে পৰিপ্ৰেক্ষিতত দুবছৰে অৰ্ধনিৰ্মিত হৈ থকা আঁচনিৰ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসকেইটা সম্প্ৰতি জহি-খহি যাবলৈ ধৰিছে। সম্প্ৰতি বন-জংঘলে আবৰি ধৰা আবাসগৃহকেইটাৰ কাঠবোৰ পচি যোৱাৰ লগতে দুৱাৰ-খিৰিকী জহি-খহি গৈছে। অট্টালিকাকেইটাৰ ছাদকেইখনো অতি দুৰ্বল হৈ পৰাত ভৱিষ্যতে তাত ছাত্ৰ-ছাত্ৰী ভয়ংকৰ বিপদৰ সন্মুখীন হোৱাৰ আশংকা ব্যক্তি কৰিছে স্থানীয় একাংশই। ইপিনে আঁচনিৰ কাম সম্পূৰ্ণ নোহোৱাৰ বাবে জিলা প্ৰশাসন তথা কেন্দ্ৰীয় চৰকাৰক দোষাৰোপ কৰিব বিচাৰিছে ঠিকাদাৰ দুগৰাকীয়ে। এনে পৰিস্থিতিত চৰকাৰ তথা প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে পৰৱৰ্তী সময়ত সেয়া লক্ষণীয় হ'ব।